জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

নং ঃ ৪১৯/২০২০

# তিনিচুকীয়া জিলাৰ বাঘজানত সংঘটিত অগ্নিকাণ্ড ঘটনাৰ তদন্ত ঘোষণা কৰিলে মুখ্যমন্ত্ৰীয়ে

## অতিৰিক্ত মুখ্য সচিব মণিন্দৰ সিঙক তদন্তৰ দায়িত্ব অৰ্পণ, ১৫ দিনৰ ভিতৰত প্ৰতিবেদন দাখিলৰ নিৰ্দেশ

## বাঘজানৰ সামগ্ৰিক পাৰিপাৰ্শ্বিকতাৰ ওপৰত পৰা প্ৰভাৱৰ দিশটো অধ্যয়নৰ বাবে অতিৰিক্ত প্ৰধান মুখ্য বন সংৰক্ষক (বন্যপ্ৰাণী) এম কে যাদৱক দায়িত্ব অৰ্পণ

**দিছপুৰ, ১১ জুন ঃ** তিনিচুকীয়া জিলাৰ বাঘজানৰ গেছ নিৰ্গমনথলীত সংঘটিত হোৱা অগ্নিকাণ্ডৰ ঘটনাৰ তদন্ত ঘোষণা কৰিছে মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে। ৰাজ্য চৰকাৰৰ অতিৰিক্ত মুখ্য সচিব মণিন্দৰ সিঙক এই তদন্তৰ দায়িত্ব অৰ্পণ কৰা হৈছে। তদন্তৰ প্ৰতিবেদন ১৫ দিনৰ ভিতৰত দাখিল কৰাৰ বাবেও মুখ্যমন্ত্ৰীয়ে নিৰ্দেশ দিছে।

আনহাতে মুখ্যমন্ত্ৰীয়ে বন বিভাগৰ অতিৰিক্ত প্ৰধান মুখ্য বন সংৰক্ষক (বন্যপ্ৰাণী) এম কে যাদৱক এই অগ্নিকাণ্ডৰ ফলত অঞ্চলটোৰ সামগ্ৰিক পাৰিপাৰ্শ্বিকতাৰ ওপৰত পৰা প্ৰভাৱৰ পুংখানুপুংখ অধ্যয়ন কৰি শীঘ্ৰে ইয়াৰ প্ৰতিবেদন দাখিল কৰাৰ বাবে নিৰ্দেশ দিছে। বন বিষয়াগৰাকীক এই অগ্নিকাণ্ডৰ ফলত নিকটৱৰ্তী অঞ্চলসমূহৰ জীৱকূল, পক্ষীকূল, উদ্ভিদকূল তথা জলাশয়সমূহত থকা জলজ প্ৰাণীসমূহৰ ওপৰত পৰা প্ৰভাৱৰ বিষয়টো পুংখানুপুংখভাৱে সামৰি লোৱাৰ বাবেও নিৰ্দেশ দিয়া হৈছে।

**পুঃডেঃ / বঃভাঃ / প্ৰঃকুঃবঃ /**
**১১/০৬/২০২০**